**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 14-07-2025
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

--------------------

১। দেশজুৰি ভোটাৰ তালিকাৰ বিশেষ পুনৰীক্ষণ আৰম্ভ কৰাৰ বাবে নিৰ্বাচন আয়োগৰ তৎপৰতা।

২। আলফা স্বাধীনৰ ম্যানমাৰ শিবিৰত ভাৰতীয় সেনাই আক্ৰমণ চলোৱা নাই বুলি সেনাৰ স্পষ্টীকৰণ।

৩। ৰাজ্য চৰকাৰে বানপীড়িত অঞ্চলসমূহৰ মহিলা তথা শিশুসকলৰ স্বাস্থ্যক অগ্ৰাধিকাৰ দিয়া বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ মন্তব্য। **আৰু**

৫। লৰ্ডছ্ টেষ্ট আকৰ্ষণীয় পৰ্যায়ত। অন্তিম দিনা ভাৰতক ৬টা উইকেট বাকী থকা অৱস্থাত **আৰু ১৩৫ ৰানৰ** প্ৰয়োজন।

০০০০০০

সমগ্ৰ দেশতে আগষ্ট মাহৰ পৰা ভোটাৰ তালিকাৰ বিশেষ পুনৰীক্ষণ আৰম্ভ কৰাৰ বাবে নিৰ্বাচন আয়োগে তৎপৰতা আৰম্ভ কৰিছে। অহা ২৮ জুলাইত উচ্চতম ন্যায়ালয়ত এই সন্দৰ্ভত চলি থকা গোচৰৰ শুনানিৰ পাছতে নিৰ্বাচন আয়োগে সিদ্ধান্ত গ্ৰহণ কৰিব বুলি বাতৰি প্ৰকাশ পাইছে। বিহাৰৰ দৰেই দেশৰ আন আন ৰাজ্যসমূহতো নিৰ্বাচন আয়োগে ভোটাৰ তালিকাৰ বিশেষ পুনৰীক্ষণ আৰম্ভ কৰিব বুলি পূৰ্বে ঘোষণা কৰিছিল যদিও এই প্ৰক্ৰিয়া কেতিয়া আৰম্ভ কৰিব সেয়া স্পষ্ট কৰা নাছিল। শেহতীয়াকৈ প্ৰকাশ পোৱা বাতৰি অনুসৰি অহা আগষ্ট মাহৰ পৰা দেশজুৰি ভোটাৰ তালিকাৰ বিশেষ পুনৰীক্ষণ আৰম্ভ কৰাৰ বাবে নিৰ্বাচন আয়োগে ৰাজ্যসমূহত আয়োগৰ বিষয়া-কৰ্মচাৰীসকলক সক্ৰিয় কৰি তুলিছে।

০০০০০০

নিষিদ্ধ ঘোষিত উগ্ৰপন্থী সংগঠন আলফা স্বাধীনৰ তিনিজন শীৰ্ষ স্থানীয় নেতাকে ধৰি ১৯ জন উগ্ৰপন্থী কালি ম্যানমাৰত নিহত হয়। ভাৰতীয় সেনা বাহিনীয়ে কালি পুৱতি নিশা চলোৱা ড্ৰোন আক্ৰমণত ম্যানমাৰৰ পূব অংশত থকা উগ্ৰপন্থী সংগঠনটোৰ মুখ্য কাৰ্যালয়সমূহক লক্ষ্য কৰি লোৱা হৈছিল বুলি নিষিদ্ধ ঘোষিত সংগঠনটোৰ সেনাধ্যক্ষ পৰেশ বৰুৱাই প্ৰকাশ কৰিছে। সংগঠনটোৱে জাৰি কৰা এটা বিবৃতিত আন ১৯ গৰাকী সদস্য আহত হৈছে বুলি উল্লেখ কৰা হৈছে। এই অভিযানত স্বঘোষিত লেফটেনেণ্ট জেনেৰেল নয়ন মেধি ওৰফে নয়ন অসমৰ মৃত্যু হৈছে বুলি বিবৃটোত লগতে প্ৰকাশ কৰা হৈছে। শেহতীয়াকৈ কৰা আক্ৰমণত ব্ৰিগেডিয়েৰ গণেশ অসম আৰু কৰ্ণেল প্ৰদীপ অসমৰ মৃত্যু হৈছে বুলি উগ্ৰপন্থী সংগঠনটোৱে দাবী কৰিছে। অৱশ্যে ভাৰতীয় সেনা বাহিনীয়ে এনে ধৰণৰ কোনো অভিযান চলোৱাৰ কথা নুই কৰিছে। প্ৰতিৰক্ষা বিভাগৰ জনসম্পৰ্কৰক্ষী বিষয়া কৰ্ণেল এম এছ্ ৰাৱটে ভাৰতীয় সেনা বাহিনীয়ে এই বিষয়ে অৱগত নহয় বুলি প্ৰকাশ কৰিছে। মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মায়ো এই ঘটনাত ৰাজ্যিক আৰক্ষী জড়িত নহয় বুলি সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰিছে। ঘটনা সন্দৰ্ভত সাংবাদিকে জানিবলৈ বিচৰাত মুখ্যমন্ত্ৰী ড০ শৰ্মাই কালি গোলাঘাটত এইদৰে কৈছিল ------ **বাইট (চি এম)**

০০০০০০

রাজ্য চৰকাৰে বানপীড়িত অঞ্চলসমূহৰ মহিলা তথা শিশুসকলৰ স্বাস্থ্যক অগ্ৰাধিকাৰ দিয়া বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। মুখ্যমন্ত্ৰীগৰাকীয়ে কালি গোলাঘাট জিলাৰ কেইবাটাও আশ্ৰয় শিবিৰ পৰিদৰ্শন কৰি জিলাখনৰ শেহতীয়া বান পৰিস্থিতিৰ বুজ লৈ এই মত প্ৰকাশ কৰে। তেওঁ মৰঙি ৰাজহ চক্ৰৰ অধীনৰ মিঠা আম চাপৰিৰ বান প্ৰভাৱিত অঞ্চলসমূহ পৰিদৰ্শন কৰাৰ লগতে ৰাইজৰ সৈতে মত-বিনিময় কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে  তদুপৰি বান সাহায্য শিবিৰসমূহৰ কাম-কাজৰ অগ্ৰগতিৰো বুজ লয়। তেওঁ শিমলুচাপৰি প্ৰাথমিক বিদ্যালয়ত থকা আশ্ৰয় শিবিৰ পৰিদৰ্শন কৰি শিশুসকলৰ সৈতে কিছু সময় পাৰ কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে বানপীড়িত লোকসকলক সকলো ধৰণৰ সাহায্য প্ৰদান কৰিবলৈ সংশ্লিষ্ট বিষয়াসকলক নিৰ্দেশ দিয়ে।

ইপিনে গোলাঘাটত জনগাঁথনি পৰিৱৰ্তনৰ বাবে একাংশ চেষ্টা চলোৱা বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই মত প্ৰকাশ কৰিছে। সন্দেহজনক লোকে অবৈধভাৱে ক'ত ভূমি দখল কৰিছে সেই সন্দৰ্ভত শীঘ্ৰেই বন বিভাগে তদন্ত কৰিব বুলিও তেওঁ কালি গোলাঘাটত প্ৰকাশ কৰে। তেওঁ কয়, যে সৰুপথাৰৰ উৰিয়ামঘাটলৈ সন্দেহজনক লোকৰ আগমন ঘটিছে। তেওঁ কয়, যে দুই-এদিনৰ ভিতৰত বন বিভাগৰ এটা দলে অবৈধভাৱে দখল কৰা ভূমি সন্দৰ্ভত তদন্ত আৰম্ভ কৰিব। এই তদন্তৰ পাছত ৰাইজ, বিধায়ক আৰু প্ৰশাসনৰ সৈতে আলোচনা কৰি সিদ্ধান্ত লোৱা হ'ব বুলি মুখ্যমন্ত্ৰী ড০ শৰ্মাই কয়।

উল্লেখযোগ্য যে নাগালেণ্ডত হোৱা নেৰানেপেৰা বৰষুণৰ ফলত গোলাঘাট জিলাৰ ধনশিৰি নৈৰ জলপৃষ্ঠ বৃদ্ধি পোৱাত জিলাখনৰ ৫টা ৰাজহ চক্ৰৰ বিস্তীৰ্ণ অঞ্চল কেইবাদিনো ধৰি বানৰ কবলত আছে। জিলাখনৰ বিভিন্ন স্থানত মুঠ ৩৩টা সাহায্য শিবিৰ মুকলি কৰি জিলা প্ৰশাসনে বানপীড়িত লোকসকললৈ সহায়ৰ হাত আগবঢ়াইছে। মৰঙি ৰাজহ চক্ৰৰ অধীনৰ মুঠ ২৪ খন গাঁৱৰ প্ৰায় ছহেজাৰ লোক বানৰ কবলত পৰিছে। বোকাখাট ৰাজহ চক্ৰৰ মুঠ ৯ খন গাঁৱৰ ৮ সহস্ৰাধিক লোক বানত ক্ষতিগ্ৰস্ত হৈছে। একেদৰে খুমটাই ৰাজহ চক্ৰৰ অধীনৰ ৩০ খন গাঁও আৰু গোলাঘাট ৰাজহ চক্ৰৰ মুঠ ২৩ খন গাঁৱৰ প্ৰায় দুহেজাৰ লোক এই বানৰ কবলত পৰিছে। সৰুপথাৰ ৰাজহ চক্ৰত সম্প্ৰতি মুঠ ৩১ খন গাঁৱৰ এহেজাৰ ৭০৮ জন লোক বানৰ কবলত পৰিছে। অঞ্চলটোৰ ৪৫১ হেক্টৰ কৃষিভূমি বানত ক্ষতিগ্ৰস্ত হৈছে। জিলা প্ৰশাসনে ৰাজহ চক্ৰটোত বৰ্তমানলৈকে ৪টা আশ্ৰয় শিবিৰ স্থাপন কৰিছে।

০০০০০০

বি টি আৰৰ মুখ্য কাৰ্যবাহী প্ৰমোদ বড়োৱে কালি সন্ধিয়া তামুলপুৰত অনুষ্ঠিত এখন সভাত অংশগ্ৰহণ কৰি জাতীয় সংগঠন সমূহৰ ইতিবাচক মনোভাৱৰ প্ৰশংসা কৰে। গয়বাৰী ব্লক ইউ পি পি এলৰ উদ্যোগত অনুষ্ঠিত এই সভাত বি টি আৰৰ প্ৰধানগৰাকীয়ে অঞ্চলটোৰ শতাধিক জ্যেষ্ঠ নাগৰিকৰ সৈতে মত বিনিময় কৰে। তামুলপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত এই সভাত তামুলপুৰৰ বিধায়ক জলেন দৈমাৰীৰ লগতে বহু কেইগৰাকী দলীয় নেতাকৰ্মী উপস্থিত থাকে। সভাৰ অন্তত সাংবাদিকৰে সৈতে হোৱা কথা-বতৰাত মুখ্য কাৰ্যবাহী বড়োৱে বি টি আৰৰ উন্নয়নৰ বাবে সমাজৰ বিভিন্ন স্তৰৰ লোকৰ দিহা-পৰামৰ্শ লোৱা বুলি প্ৰকাশ কৰে।

*(বাইট ঃ প্ৰমোদ বড়ো)*

০০০০০০

বৈদেশিক পৰিক্ৰমা দপ্তৰৰ ৰাজ্যমন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাই কালি যোৰহাট জিলাৰ তিতাবৰত চাৰিটা পথৰ নিৰ্মাণকাৰ্যৰ শুভাৰম্ভ কৰে। অঞ্চলটোৰ চাহ বাগিচাসমূহৰ আন্তঃগাঁথনি উন্নত কৰাৰ লগতে পৰিবহণ ব্যৱস্থা সুচল কৰাৰ লক্ষ্যৰে এই কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। ২০২৪-২৫ বৰ্ষৰ বাবে নাবাৰ্ডৰ পুঁজিৰ অধীনত তিতাবৰ বিধানসভা সমষ্টিৰ ৩৪ খন চাহ বাগিচাৰ বাবে মুঠ ২৩টা পেকেজ সামৰি ৩ হাজাৰ ৪৩ লাখতকৈ অধিক টকাৰ ব্যয় সাপেক্ষে ৪২ কিলোমিটাৰতকৈ অধিক দৈৰ্ঘ্যৰ ৬৩টা পথ নিৰ্মাণ কৰা হ'ব। ৰাজ্যিক মন্ত্ৰীগৰাকীৰ লগত অসম ঔদ্যোগিক আন্তঃগাঁথনি উন্নয়ন নিগমৰ অধ্যক্ষ, ঠেঙাল-কছাৰী স্বায়ত্বশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য, পৰিষদৰ অধ্যক্ষ, যোৰহাট জিলা আয়ুক্ত, তিতাবৰ বিধানসভা সমষ্টিৰ বিধায়কৰ লগতে জিলা আৰক্ষী অধীক্ষকসহ বিভাগীয় বিষয়াসকল উপস্থিত থাকে।

০০০০০০

হোজাইৰ এক নম্বৰ কাকী তিনি নম্বৰ গাঁৱৰ দ' ব্লকৰ নাট্যচৰাত যোৱা নিশা হোজাই জিলাৰ সামাজিক-সাংস্কৃতিক অনুষ্ঠান শ্ৰীমন্ত শংকৰদেৱ কৃষ্টি বিকাশ কেন্দ্ৰৰ প্ৰযোজনাত এখন নাট মঞ্চস্থ হয়। নাট্যকাৰ চম্পক **শৰ্মাৰ মন তই নাকান্দিবি** শীৰ্ষক নাটখনি প্ৰবীন শইকীয়াই পৰিচালনা কৰে। স্থানীয় শিল্পীয়ে অভিনয় কৰা নাটখন উপভোগৰ বাবে ভালেসংখ্যক দৰ্শকৰ সমাগম হয়। নৱ প্ৰজন্মৰ প্ৰতিভা বিকাশৰ উদ্দেশ্যে হোজাই জিলাৰ সামাজিক-সাংস্কৃতিক অনুষ্ঠান শ্ৰীমন্ত শংকৰদেৱ কৃষ্টি বিকাশ কেন্দ্ৰই অঞ্চলটোত এই ধৰণৰ কাৰ্যসূচী গ্ৰহণ কৰি আহিছে বুলি কেন্দ্ৰৰ সভাপতি গজেন হাজৰিকাই আমাৰ হোজাইৰ সংবাদদাতাৰ যোগে জানিবলৈ দিয়ে।

০০০০০০

যোৱা নিশা উত্তৰ গুৱাহাটীৰ ৰংমহল নাজিৰাখাটত সংঘটিত অগ্নিকাণ্ডত এখন সুলভ মূল্যৰ দোকানসহ এটা পৰিয়ালৰ বাসগৃহ সম্পূৰ্ণৰূপে ভষ্মিভূত হয়। টংকেশ্বৰ দাস নামৰ এজন লোকৰ ঘৰত সংঘটিত এই অগ্নিকাণ্ডৰ সময়ত তেওঁৰ লগতে পৰিয়ালৰ লোকসকল শুই আছিল। অৱশ্যে এই অগ্নিকাণ্ডত পৰিয়ালটোৰ  সদস্যসকল কথমপি ৰক্ষা পৰে। ছৰ্টছাৰ্কিটৰ ফলতে অগ্নিকাণ্ড সংঘটিত হোৱা বুলি সন্দেহ কৰা হৈছে। স্থানীয় ৰাইজৰ সহযোগত  অগ্নিনিৰ্বাপক বাহিনীয়ে তৎপৰতাৰে জুই নিৰ্বাপিত কৰিবলৈ সমৰ্থ হয়।

০০০০০০

জিষ্ঠ নাগৰিক মঞ্চ, যোৰহাটৰ উদ্যোগত কালি যোৰহাট বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যা প্ৰতিষ্ঠানৰ ভৱিষ্যৎ মন্থন আৰু স্বতন্ত্ৰীয়া বিকাশৰ ৰূপৰেখা নিৰ্ণয় সন্দৰ্ভত এখন নাগৰিক সভা অনুষ্ঠিত হয়। যোৰহাট বিজ্ঞান কেন্দ্ৰ আৰু তাৰকাগৃহ প্ৰেক্ষাগৃহত অনুষ্ঠিত এই সভাত অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদ, যোৰহাট জিলা সমিতিৰ সভাপতি অসীমজ্যোতি শইকীয়াৰ লগতে ভালে সংখ্যক বিশিষ্ট লোক উপস্থিত থাকে।

০০০০০০

লৰ্ডছত চলি থকা এণ্ডাৰ্ছন-টেণ্ডুলকাৰ ট্ৰফী টেষ্ট ক্ৰিকেট শৃংখলাৰ তৃতীয়খন খেলৰ আজি পঞ্চম দিনা ভাৰতে কালি চাৰিটা উইকেটৰ বিনিময়ত সংগ্ৰহ কৰা ৫৮ ৰানৰ পৰা নিজৰ দ্বিতীয় ইনিংছৰ খেল আৰম্ভ কৰিব। কালি খেল সামৰাৰ পৰলৈকে কে এল ৰাহুলে ৩৩ ৰান কৰি খেলি আছিল। লৰ্ডছ টেষ্ট জয়ৰ বাবে ভাৰতক সম্প্ৰতি ১৩৫ ৰানৰ প্ৰয়োজন। চতুৰ্থ দিনৰ  শেষৰটো বলত কালি ইংলেণ্ডৰ অধিনায়ক বেন ষ্টকছে আকাশ দীপক মাত্ৰ ১ ৰানতে আউট কৰে। ইয়াৰ পূৰ্বে ঘৰুৱা দল ইংলেণ্ডে নিজৰ দ্বিতীয় ইনিংছত আটাইকেইটা উইকেট হেৰুৱাই ১৯২ ৰান কৰে। ভাৰতৰ হৈ ৱাশ্বিংটন সুন্দৰে ৪টা, মহম্মদ ছিৰাজ আৰু যশপ্ৰীত বুমৰাই দুটাকৈ  উইকেট দখল কৰে। প্ৰত্যুত্তৰত ভাৰতে ইনিংছ আৰম্ভ কৰিয়েই  জোফ্ৰা আৰ্চাৰৰ

বলত য়শস্বী জয়ছোৱালৰ উইকেট হেৰুৱাই বিপর্যয়ৰ সন্মুখীন হয়। ইপিনে, অধিনায়ক শুভমন গিল আৰু কৰুণ নায়াৰ ব্ৰাইডন কাৰ্চৰ বলত আউট হৈ পেভিলিয়নলৈ উভতে।

০০০০০০

২৭ জুলাইৰ পৰা ১৬ আগষ্টলৈকে কোকৰাঝাৰৰ ছাই ষ্টেডিয়ামত অনুষ্ঠিত হ'বলগীয়া ১৩৪ সংখ্যক ডুৰাণ্ড কাপ প্ৰতিযোগিতাৰ পূৰ্বে কালি তামুলপুৰ জিলাৰ তামুলপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত "ডুৰাণ্ড কাপ ট্ৰফী ট্যুৰ" কাৰ্যসূচী সফলতাৰে সম্পন্ন হয়। এই কাৰ্যসূচী ভাৰতীয় সেনাবাহিনীৰ গজৰাজ কৰ্পছৰ ১০৭ মাউণ্টেইন ব্ৰিগেডৰ উদ্যোগত তথা অসম চৰকাৰ আৰু বিটিচি প্ৰশাসনৰ সহযোগত অনুষ্ঠিত হয়। এই কৰ্যসূচীত সেনাবাহিনীৰ তামুলপুৰৰ ১০৭ ব্ৰিগেডৰ কৰ্নেল ভূপেন্দ্ৰ সিং চৌধুৰী, স্থানীয় বিধায়ক জলেন দৈমাৰী, তামুলপুৰ জিলাৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক দিগন্ত কুমাৰ চৌধুৰী, তামুলপুৰ জিলাৰ অতিৰিক্ত আয়ুক ডঃ দীপাংকৰ নাথ, সহকাৰী আয়ুক্ত অনুপম ডেকা, কৰ্নেল মনীষ নেগি, মেজৰ আৰ এছ সামণ্ট, প্ৰাক্তন সেনা বিষয়া বাসুদেৱ বৰ্মনসহ ভাৰতীয় সেনাবাহিনীৰ একাংশ জোৱান, ছাত্ৰ-ছাত্ৰী তথা অঞ্চলটোৰ ভালেসংখ্যক ব্যক্তি উপস্থিত থাকে।

০০০০০০

যোৰহাট ষ্টেডিয়ামত কালি ১৫ বছৰ অনুৰ্ধ আন্তঃজিলা ছাব জুনিয়ৰ বক্সিং চেম্পিয়নশ্বিপ প্ৰতিযোগিতা অনুষ্ঠিত হয়। এই প্ৰতিযোগিতাত ল'ৰাৰ শ্ৰেষ্ঠ দল হিচাপে গুৱাহাটী বক্সিং দল নিৰ্বাচিত হোৱাৰ লগতে লখিমপুৰৰ ছোৱালী বক্সিং দল ছোৱালীৰ শ্ৰেষ্ঠ দল হিচাপে বিবেচিত হয়।

০০০০০০

আজি গুৱাহাটীৰ পৰা প্ৰকাশিত দৈনিক বাতৰিকাকতসমূহত আলফা স্বাধীনৰ শিবিৰত মিছাইল আক্ৰমণ, দেশজুৰি ভোটাৰ তালিকাৰ পুনৰীক্ষণৰ প্ৰস্তুতি, গোলাঘাটৰ বানপীড়িতৰ কাষত মুখ্যমন্ত্ৰী, প্ৰাক্তন প্ৰেমিকাৰ ফটো বিকৃতৰূপত ভাইৰেল কৰি তিনিচুকীয়াৰ পৰা গ্ৰেপ্তাৰ অভিযন্তা আদি ভিন ভিন বাতৰিয়ে শিৰোনাম দখল কৰিছে। ভাৰতীয় সেনাই ম্যানমাৰত আলফা (স্বা)ৰ শিবিৰত ড্ৰো'ন আক্ৰমণ চলোৱাৰ কথা অস্বীকাৰ কৰিছে । দেওবাৰে নিষিদ্ধ সংগঠনটোৱে ভাৰতীয় সেনাই ড্ৰো'ন আক্ৰমণ চলোৱাৰ অভিযোগ উত্থাপন কৰিছিল। আক্ৰমণত আলফা (স্বাঃ)ৰ ৩গৰাকী শীৰ্ষ নেতা লেঃ জেনেৰেল নয়ন অসম, ব্ৰিগেডিয়াৰ গণেশ অসম আৰু কৰ্ণেল প্ৰদীপ অসম নিহত হয়। এই বাতৰিটোৱে নিয়মীয়া বাৰ্তা, দৈনিক অসম, দি চেন্টিনেল, দৈনিক অগ্ৰদূত, আমাৰ অসম, অসমীয়া খবৰ আদি কাকতত শিৰোনাম দখল কৰিছে। দেশৰ ভোটাৰ তালিকা সংশোধনৰ বাবে নিৰ্বাচন আয়োগে দেশজুৰি ভোটাৰ তালিকাৰ ব্যাপক পুনৰীক্ষণ কৰাৰ দিশে আগবাঢ়িছে। বিহাৰত চলোৱা সমীক্ষাত লাখ লাখ বিদেশীৰ নাম ধৰা পৰাৰ পাছত অসম, পশ্চিম বংগ, কেৰালা, তামিলনাডুকে ধৰি দেশজুৰি নিৰ্বাচন

আয়োগে পুনৰীক্ষণ প্ৰক্ৰিয়া আৰম্ভ কৰিব। অসমীয়া প্ৰতিদিন আৰু নিয়মীয়া বাৰ্তা কাকতে এই বাতৰিটোক মুখ্য বাতৰি হিচাপে প্ৰথম পৃষ্ঠাত পৰিৱেশন কৰিছে। ডিব্ৰুগড়ৰ এগৰাকী বিবাহিত মহিলাৰ মুখমণ্ডল ব্যৱহাৰ কৰি কৃত্ৰিম বুদ্ধিমত্তাৰ জৰিয়তে তিনিচুকীয়াৰ প্ৰতীম বৰা নামৰ এজন যুৱকে অনলাইন প্লেটফৰ্মত ভূৱা প্ৰচাৰ চলাইছিল। ডিব্ৰুগড় আৰক্ষীয়ে BNSৰ কেবাটাও ধাৰাত গোচৰ ৰুজু কৰি অভিযুক্তক ইতিমধ্যে গ্ৰেপ্তাৰ কৰি পাঁচ দিনৰ জিম্মাত লৈছে। এই বাতৰিটোৱে প্ৰায়কেইখন কাকততে শিৰোনাম দখল কৰিছে। কালি মুখ্যমন্ত্ৰীয়ে গোলাঘাটত বানপীড়িত ৰাইজৰ খবৰ লৈ জিলাখনৰ উৰিয়ামঘাটত উচ্ছেদ অভিযান চলোৱাৰ ইংগিত প্ৰদান কৰা বাতৰিটোৱে নিয়মীয়া বাৰ্তা কাকতৰ প্ৰথম পৃষ্ঠাত শিৰোনাম দখল কৰিছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি সন্ধিয়া চেটেলাইট নিউজ চেনেল প্ৰাগ নিউজ আৰু দৈনিক জনমভূমি কাকতৰ মুখ্য কাৰ্যালয় পৰিদৰ্শন কৰা বাতৰিটো দৈনিক অসম কাকতে আচুতীয়াকৈ প্ৰথম পৃষ্ঠাত আলোকচিত্ৰসহ প্ৰকাশ কৰিছে। এতিয়া আহক আমি পুনৰ বাতৰিৰ মাজলৈ ওভতি যাঁও।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ আংশিকভাৱে ডাৱৰীয়া হৈ থকাৰ লগতে দুই-এজাক পাতলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩৬ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা ২৭ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অৰুণাচল প্ৰদেশ, অসম, মণিপুৰ, মিজোৰাম, ত্ৰিপুৰা, নাগালেণ্ড আৰু মেঘালয়ৰ ঠাই বিশেষে পাতলীয়াৰ পৰা মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰৰ সূত্ৰই প্ৰকাশ কৰিছে।

০০০০০০

সমাপ্ত